নং ঃ ৩০২/২০২১

# কেবিনেট বৈঠকৰ পূৰ্বে ধেমাজিৰ কেইবাখনো দলং উদ্বোধন মুখ্যমন্ত্ৰীৰ

## অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয় পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

## বাটঘৰীয়া আঞ্চলিক স্প'ৰ্টছ ক্লাবত নতুনকৈ স্থাপন কৰা জিমনাছিয়াম আনুষ্ঠানিকভাৱে শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজিত অনুষ্ঠিত কেবিনেট বৈঠকৰ পূৰ্বে ধেমাজিৰ দিহিঙীয়া চুক অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰি অংগনৱাড়ী কেন্দ্ৰৰ শিশু আৰু অংগনৱাড়ী কৰ্মীসকলৰ সৈতে মত-বিনিময় কৰি কেন্দ্ৰটোত থকা সা-সুবিধাৰ বুজ লয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে বাটঘৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি বিদ্যালয়খনত থকা সা-সুবিধাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে বাটঘৰীয়া মজলীয়া বিদ্যালয়ো পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে বাটঘৰীয়া আঞ্চলিক স্প'ৰ্টছ ক্লাবত নতুনকৈ স্থাপন কৰা জিমনাচিয়াম এটাৰো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে এই জিমনাচিয়ামটোত ৰাজ্য চৰকাৰৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ তৰফৰ পৰা ক্ৰীড়া সামগ্ৰী প্ৰদান কৰা হৈছে। তদুপৰি বিভা হিমাংশু মেম'ৰিয়েল ট্ৰাষ্টৰ পৰাও বিভিন্ন ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱা হৈছে।

জিমনাচিয়ামটোৰ মুকলি অনুষ্ঠানত উপস্থিত ৰাইজক সম্বোধন কৰি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজি তেওঁ এই অঞ্চলৰ এটা অংগনৱাড়ী কেন্দ্ৰ, দুখন বিদ্যালয় পৰিদৰ্শন কৰি ইয়াত থকা সা-সুবিধাৰ বুজ লৈছে। আটাইকেইখন অনুষ্ঠান ভাল ধৰণে পৰিচালনা হৈ আছে বুলি উল্লেখ কৰি বাটঘৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আটাইকেইটা শ্ৰেণীকোঠা নতুনকৈ নিৰ্মাণ কৰাৰ বাবে চৰকাৰে পদক্ষেপ ল'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দিহিঙীয়া অংগনৱাড়ী কেন্দ্ৰটো সকলো সা-সুবিধাৰে নতুনকৈ নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰে ২৫ লাখ টকা প্ৰদান কৰিব। তদুপৰি বাটঘৰীয়া আঞ্চলিক স্প'ৰ্টছ ক্লাবলৈ ৰাজ্য চৰকাৰৰ ক্ৰীড়া সঞ্চালকালয়ৰ পৰা প্ৰতি বছৰে ৩ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱা হ'ব, যাতে ইয়াৰ ক্ৰীড়াৰ কাম-কাজখিনি সুচাৰুৰূপে পৰিচালিত হয়। বাটঘৰীয়া আঞ্চলিক ক্ৰীড়া সংঘৰ বাকী থকা ক্ৰীড়া সামগ্ৰী ক্ৰয়ৰ বাবে অতিৰিক্তভাৱে ১০ লাখ টকা আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। আজিৰ এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিত্তমন্ত্ৰী অজন্তা নেওগ, ক্ৰীড়ামন্ত্ৰী বিমল বৰা, সাংসদ প্ৰদান বৰুৱা, ৰাজ্যিক ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

লক্ষ্য কোঁৱৰকে ধৰি বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা ২০১৭-১৮ বৰ্ষৰ অধীনত বেঙেনাগড়া-কঠালগুৰি পথৰ ফাটিহা বৰডুবি জানৰ ওপৰত নিৰ্মাণ কৰা পকী দলং, মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজ ২০১৩-১৪ বৰ্ষৰ অধীনত বটুৰাৰ পৰা ৰাংকোপ পথৰ বটুৰা নদীৰ ওপৰত নিৰ্মিত ১৫০ মিটাৰ দৈৰ্ঘ্যৰ এখন দলং আৰু প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা ২০১৮-১৯ বৰ্ষৰ অধীনত দুসূতিমুখ-কাইটং সংযোগী দলংখনো উদ্বোধন কৰি ৰাইজৰ সেৱাৰ বাবে উৎসৰ্গিত কৰে। আজিৰ এই দলং উদ্বোধনী কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিত্তমন্ত্ৰী অজন্তা নেগও, সাংসদ প্ৰদান বৰুৱা, বিধায়ক ভূবন পেগুৰ লগতে অন্যান্য গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**
**৩০-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in